NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-04-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

ooooooo

১। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, তেওঁ দেশক উন্নয়নৰ শিখৰত আৰোহণ কৰোৱাৰ উদ্দেশ্যে কাম কৰি আহিছে।

২। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিঙে পশ্চিমবংগৰ আইন-শৃংখলা পৰিস্থিতি সন্দৰ্ভত মমতা বেনাৰ্জী নেতৃত্বাধীন তৃণমূল কংগ্ৰেছক সমালোচনা কৰিছে।

৩। লোকসভা নিৰ্বাচনৰ সৈতে জড়িত বিভিন্ন বিষয় সম্পৰ্কে আলোচনা কৰাৰ উদ্দেশ্যে নতুন দিল্লীত থকা কংগ্ৰেছৰ মুখ্য কাৰ্য্যালয়ত আজি দলৰ কেন্দ্ৰীয় নিৰ্বাচন কমিটিৰ এখন বৈঠক অনুষ্ঠিত হয়।

৪। চত্তিশগড়ৰ বাস্তাৰ জিলাত আজি হোৱা এটা বাছ দুৰ্ঘটনাত সুৰক্ষা বাহিনীৰ ১২ গৰাকী জোৱান আহত হয়।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজিৰ প্ৰথমখন খেলত ক'লকাটা নাইট ৰাইডাৰ্ছে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক জয়ৰ বাবে ২২৩ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

ooooooo

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে, তেওঁ দেশক উন্নয়নৰ শিখৰত আৰোহণ কৰোৱাৰ উদ্দেশ্যে কাম কৰি আহিছে। ৰাজস্থানৰ জালোৰ লোকসভা সমষ্টিত আজি আয়োজিত এটা নিৰ্বাচনী সমাৰেশত ভাষণ প্ৰসংগত তেওঁ কয় যে, কেন্দ্ৰীয় চৰকাৰে বাসগৃহসমূহত শৌচাগাৰ নিৰ্মাণ তথা ৰন্ধন গেছৰ সংযোগকে ধৰি বিভিন্ন সুবিধা প্ৰদানৰ জৰিয়তে মহিলাসকলৰ জীৱন সুচল কৰি তুলিবলৈ নানা আঁচনি মুকলি কৰিছে। শ্ৰীমোদীয়ে কংগ্ৰেছক সুবিধাবাদী মিত্ৰজোট গঠন কৰা বুলি সমালোচনা কৰি কয় যে, এনে মিত্ৰজোটৰ হাতত দেশৰ শাসনভাৰ অৰ্পণ কৰা উচিত নহয়। ৰাজ্যখনৰ পানীৰ সমস্যাৰ বিষয়ে উনুকিয়াই দি শ্ৰীমোদীয়ে কয় যে, ৰাজ্য চৰকাৰে এই সমস্যা সমাধানৰ বাবে কাম আৰম্ভ কৰিছে। পূৰ্বৰ কংগ্ৰেছ চৰকাৰে বহুতো জল প্ৰকল্প অসম্পূৰ্ণ কৰি ৰখা বুলিও তেওঁ অভিযোগ তোলে। ৰাজস্থানৰ সৈতে পুৰণি সম্পৰ্কৰ কথা সুঁৱৰি তেওঁ কয় যে, গুজৰাটৰ মুখ্যমন্ত্ৰী হৈ থকা সময়ছোৱাত তেওঁ ৰাজস্থানৰ পানীৰ সমস্যা সমাধান কৰিবলৈ চেষ্টা কৰিছিল।

শ্ৰীমোদীয়ে লগতে কৃষকসকলৰ উন্নয়নৰ বাবে মোটা শস্যক শ্ৰীঅন্ন হিচাপে আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি প্ৰদান কৰাৰ বিষয়েও উল্লেখ কৰে। জালোৰ-চিৰোহী অঞ্চলত পৰ্য্যটনৰ অপাৰ সম্ভাৱনাৰ বিষয়ে উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে, পৰ্য্যটনৰ জৰিয়তে যুৱচামৰ বাবে নিয়োগৰ সুবিধা বৃদ্ধি কৰিবলৈ যোগাযাগ ব্যৱস্থা ত্বৰান্বিত কৰাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। ভোটদানক এটা গৌৰৱৰ বিষয় বুলি উল্লেখ কৰি তেওঁ জনসাধাৰণক নিজৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিবলৈ অনুৰোধ জনায়।

উল্লেখযোগ্য যে, সভাখনত মুখ্যমন্ত্ৰী ভজনলাল শৰ্মাও উপস্থিত থাকে। জালোৰ লোকসভা আসনখনৰ বাবে বিজেপিয়ে লুম্বাৰাম চৌধাৰীক প্ৰাৰ্থিত্ব প্ৰদান কৰাৰ বিপৰীতে কংগ্ৰেছে প্ৰাক্তন মুখ্যমন্ত্ৰী অশোক গেহলটৰ পুত্ৰ বৈভৱ গেহলটক প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিছে। ৰাজস্থানৰ দ্বিতীয় পৰ্য্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে অহা ২৬ এপ্ৰিলত ভোটগ্ৰহণ কৰা হ'ব।

0000000

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই আজি সজোৰে কৈছে যে, বিগত ১০ বছৰত বিজেপিয়ে এখন সুস্থিৰ চৰকাৰ দিছে, যিখন চৰকাৰে তিনি তালাক প্ৰথা আৰু অযোধ্যাত ৰাম মন্দিৰ নিৰ্মাণৰ লেখিয়া গুৰুত্বপূৰ্ণ বিষয়সমূহৰ নিস্পত্তিত সহায় কৰিছিল। বিজেপি মহা মিত্ৰজোটৰ প্ৰাৰ্থী প্ৰতাপ ৰাও যাধৱৰ হৈ নিৰ্বাচনী প্ৰচাৰৰ উদ্দেশ্যে আজি বুলধানা জিলাত এখন জনসভাত ভাষণ দি শ্ৰীনাড্ডাই এই কথা প্ৰকাশ কৰে।

বিগত ১০ বছৰত এন ডি এ চৰকাৰৰ বিভিন্ন সাফল্যৰ বিষয়ে উল্লেখ কৰি শ্ৰীনাড্ডাই কয় যে, কেন্দ্ৰীয় চৰকাৰে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত দেশৰ ৫ কোটি জনসাধাৰণক পকী ঘৰ প্ৰদান কৰাৰ লগতে দৰিদ্ৰ লোকসকলৰ বাবে বিনামূলীয়া ৰেচন, খোৱা পানী আৰু বিদ্যুৎ যোগান আদিৰ দৰে মৌলিক সা-সুবিধাসমূহ সুনিশ্চিত কৰিছে। তেওঁ লগতে কয় যে, ভাৰতে সদায় এখন শক্তিশালী, সুস্থিৰ তথা নিৰ্ণায়ক চৰকাৰৰ কামনা কৰি আহিছিল। বৰ্তমান ভাৰত বিশ্বৰ পঞ্চম সৰ্ববৃহৎ অৰ্থনীতি হিচাপে বিবেচিত হৈছে বুলি উল্লেখ কৰি তেওঁ আৰু কয় যে, বিজেপি চৰকাৰ পুনৰবাৰ ক্ষমতালৈ আহিলে আমাৰ দেশ শীঘ্ৰেই বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থনীতিলৈ উন্নীত হ'ব আৰু ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হ'ব।

0000000

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিঙে পশ্চিমবংগৰ আইন-শৃংখলা পৰিস্থিতি সন্দৰ্ভত মমতা বেনাৰ্জী নেতৃত্বাধীন তৃণমূল কংগ্ৰেছক সমালোচনা কৰাৰ লগতে সমগ্ৰ ৰাজ্যখনতে অৰাজকতা বিৰাজ কৰিছে বুলি মত প্ৰকাশ কৰে। এন আৰ চি বিষয়ক লৈ মমতা বেনাৰ্জীয়ে মুৰ্ছিদাবাদৰ প্ৰব্ৰজিত শ্ৰমিকসকলক বিপথে পৰিচালিত কৰিছে বুলিও শ্ৰীসিঙে অভিযোগ তোলে। মুৰ্ছিদাবাদৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰা বিজেপি প্ৰাৰ্থীৰ সমৰ্থনত জলংগীৰ নৰসিংহপুৰত আয়োজিত এখন জনসভাত ভাষণ প্ৰসংগত শ্ৰীসিঙে কয় যে, কেন্দ্ৰীয় চৰকাৰে পশ্চিমবংগৰ বাবে কেইবাখনো উন্নয়নমূলক আঁচনি মুকলি কৰিছে। তৃণমূল কংগ্ৰেছে ধৰ্মৰ নামত বিভাজন সৃষ্টি কৰাৰ বিপৰীতে বিজেপিয়ে সজোৰে ইয়াৰ বিৰোধিতা কৰিছে বুলিও তেওঁ উল্লেখ কৰে।

0000000

লোকসভা নিৰ্বাচনৰ সৈতে জড়িত বিভিন্ন বিষয় সম্পৰ্কে আলোচনা কৰাৰ উদ্দেশ্যে নতুন দিল্লীত থকা কংগ্ৰেছৰ মুখ্য কাৰ্য্যালয়ত আজি দলৰ কেন্দ্ৰীয় নিৰ্বাচন কমিটিৰ এখন বৈঠক অনুষ্ঠিত হয়। দলৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, কংগ্ৰেছ সংসদীয় দলৰ অধ্যক্ষ ছোনিয়া গান্ধী আৰু অন্যান্য জ্যেষ্ঠ নেতাসকলে এই বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত পঞ্জাৱৰ দলীয় জ্যেষ্ঠ নেতাসকলো উপস্থিত থাকে।

0000000

চত্তিশগড়ৰ বাস্তাৰ জিলাত আজি হোৱা এটা বাছ দুৰ্ঘটনাত সুৰক্ষা বাহিনীৰ ১২ গৰাকী জোৱান আহত হয়। ইয়াৰে তিনিগৰাকীৰ অৱস্থা সংকটজনক। এই জোৱানকেইজন চত্তিশগড়ৰ বাস্তাৰত নিৰ্বাচনী কৰ্তব্য সমাপন কৰাৰ উদ্দেশ্যে বাছেৰে গৈ থকা অৱস্থাত দুৰ্ঘটনাটো সংঘটিত হয়। উল্লেখযোগ্য যে, আজি নিচেই পুৱা আন এখন বাহনক ৰক্ষা কৰিবলৈ গৈ জোৱানকেইগৰাকী ভ্ৰমণ কৰা বাছখন লুটি খাই পৰে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা অনুসৰি, মধ্য প্ৰদেশৰ দ্বিতীয় বেটেলিয়নৰ জোৱানকেইগৰাকীয়ে প্ৰথম পৰ্য্যায়ৰ নিৰ্বাচনী কৰ্তব্য সম্পন্ন কৰি দ্বিতীয় পৰ্য্যায়ৰ নিৰ্বাচনৰ কৰ্তব্য পালনৰ উদ্দেশ্যে গৈ থকা অৱস্থাত বাস্তাৰ জিলাৰ দিলমিলিৰ সমীপত দুৰ্ঘটনাটো সংঘটিত হয়। উল্লেখযোগ্য যে, যোৱা ১৯ এপ্ৰিলত বাস্তাৰ লোকসভা সমষ্টিত নিৰ্বাচনৰ ভোটগ্ৰহণ হৈছিল।

০০০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে অভিযোগ কৰি কৈছে যে, কংগ্ৰেছ আৰু আৰ জে ডি নেতৃত্বাধীন মহা মিত্ৰজোটে বিহাৰক পুনৰ জংগলৰাজৰ যুগলৈ ঠেলি নিব বিচাৰিছে। জে ডি ইউৰ প্ৰাৰ্থীগৰাকীৰ সমৰ্থনত কাটিহাৰৰ ৰাজেন্দ্ৰ ষ্টেডিয়ামত এখন জনসভাক সম্বোধন কৰি শ্ৰীশ্বাহে কয় যে, আৰ জে ডি আৰু কংগ্ৰেছে কেতিয়াও বিহাৰৰ উন্নয়নৰ হকে কাম কৰা নাই। তেওঁ কয় যে, এন ডি এইহে ৰাজ্যখনৰ উন্নয়নৰ হকে কাম কৰিব পাৰিব। তেওঁ কয় যে, আৰ জে ডিৰ কাৰ্য্যকালত সমাজৰ সকলো শ্ৰেণীৰ লোক অত্যাচাৰৰ সন্মুখীন হ'বলগীয়া হৈছিল। তেওঁ কয় যে, এন ডি এ-য়েহে অত্যাচাৰৰ যুগৰ পৰিসমাপ্তি ঘটাই ৰাজ্যখনক সমৃদ্ধিৰ পথলৈ আগুৱাই নিবলৈ সক্ষম হৈছিল। অভিযোগ তোলে যে, কাকা চাহেব কালেলকাৰৰ প্ৰতিবেদন আৰু মণ্ডল আয়োগৰ প্ৰতিবেদনৰ বিৰোধিতা কৰি কংগ্ৰেছে সদায় সমাজৰ পিচপৰা শ্ৰেণীৰ স্বাৰ্থৰ বিৰুদ্ধে কাম কৰি আহিছে বুলিও তেওঁ অভিযোগ উত্থাপন কৰে।

০০০০০০০

বি এছ্ পিৰ মুৰব্বী মায়াৱতীয়ে আজি গাজিয়াবাদত এখন নিৰ্বাচনী ৰেলীত অংশগ্ৰহণ কৰে। মায়াৱতীয়ে কয় যে, এতিয়া কেৱল প্ৰতিশ্ৰুতিৰে কাম নচলিব। বৰ্তমান জন-সাধাৰণে ভাল দিনৰ সপোনৰ বাস্তৱিকতা ভালকৈয়ে বুজি পাইছে। মায়াৱতীয়ে কয় যে, কেন্দ্ৰত এইবাৰ বিজেপি ঘূৰি আহিবলৈ সমৰ্থ নহ'ব। তেওঁ কয় যে, অকল বিনামূলীয়া ৰেচনে জনসাধাৰণক লাভান্বিত নকৰে আৰু কেৱল কাম কৰাৰ সুবিধা প্ৰদান কৰিলেই জীৱন-ধাৰণৰ মান উন্নীত হ'ব নোৱাৰে। শ্ৰীমায়াৱতীয়ে কয় যে, বৰ্তমানৰ বিজেপি চৰকাৰৰ জাতিবাদী, সাম্প্ৰদায়িক আৰু পুঁজিবাদী চিন্তা-ধাৰা তথা নীতিসমূহে কৃষকসকলৰ উন্নীতকৰণত সহায় কৰিব পৰা নাই। যুৱক-যুৱতীসকলক নিয়োগ প্ৰদান তথা শিক্ষানীতি উন্নীতকৰণৰ বাবে চৰকাৰখনে কোনো কাম কৰা নাই বুলি তেওঁ লগতে মন্তব্য কৰে।

বি এছ্ পিৰ মুৰব্বীগৰাকীয়ে কয় যে, ধৰ্মৰ নামত ৰাজনীতি কৰাৰ বাবে দলটোক এইবাৰ জনসাধাৰণে উচিত শিক্ষা দিব। কথা আৰু কামৰ মাজত পাৰ্থক্য থকা চৰকাৰখনক কেন্দ্ৰলৈ অহাৰ ক্ষেত্ৰত বাধা দিব লাগিব বুলিও তেওঁ কয় আৰু ইয়াৰ বাবে বিজেপি, কংগ্ৰেছ আৰু অন্যান্যসকলৰ পৰিৱৰ্তে বি এছ্ পিক ভোট দিবলৈ তেওঁ সকলোকে আহ্বান জনায়।

তেওঁ কয় যে, বি এছ্ পি চৰকাৰ গঠন হ'লে সমাজৰ প্ৰতিটো শ্ৰেণীৰে বিকাশ সম্ভৱ হ'ব। সাধাৰণ জনতাৰ লগতে জনজাতি, মুছলমান, দলিত আৰু অন্যান্য ধৰ্মীয় তথা সংখ্যালঘূ লোকসকলৰ উন্নয়নৰ উদ্দেশ্যে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলিও তেওঁ সজোৰে কয়।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ক'লকাতা ইডেন গাৰ্ডেনছত চলি থকা এখন খেলত ক'লকাটা নাইট ৰাইডাৰ্ছে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক জয়ৰ বাবে ২২৩ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। খেলখনত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে টচত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়। ক'লকাতা নাইট ৰাইডাৰ্ছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ২২২ ৰাণ কৰে। প্ৰত্যুত্তৰত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে এই বাতৰি যুগুতোৱাৰ পৰলৈকে ১৬ অভাৰত ছটা উইকেট হেৰুৱাই ১৮১ ৰাণ সংগ্ৰহ কৰিছে।

প্ৰতিযোগিতাৰ আজিৰ দ্বিতীয়খন খেলত খন্তেক সময়ৰ পাছত চণ্ডীগড়ৰ মুল্লাণপুৰৰ মাহাৰাজা যাদৱীন্দ্ৰ সিং ইণ্টাৰনেচনেল ক্ৰিকেট ষ্টেডিয়ামত পাঞ্জাৱ কিংছ, গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন চাৰে সাত বজাত আৰম্ভ হ'ব।

০০০০০০০

**সমাপ্ত**